**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-10-2024
**Time :** 1715 Hrs.

***Assamese Evening Bulletin***

শাৰদীয় দুৰ্গোৎসৱৰ অষ্টমী আৰু নৱমী পূজা  আজি তিথি অনুসৰি একেদিনাই সম্পন্ন হয়। এই উপলক্ষে ৰাজ্যৰ প্ৰতিখন পূজাস্থলীতে ভক্তিপ্ৰাণ ৰাইজে দেৱী দুৰ্গাৰ আশীষ গ্ৰহণ কৰে। গোৱালপাৰা জিলাত আজি পুৱাৰ ভাগত বৈদিক ৰীতি-নীতিৰে অষ্টমী পূজা সমাপন কৰাৰ পাছত নৱমীও পালন কৰা হয়। জিলাখনৰ নেপালী মন্দিৰ সাৰ্বজনীন দুৰ্গা পূজা সমিতিয়ে আজি ৯গৰাকী কুমাৰী কন্যাক সজাই পৰাই কুমাৰী পূজা পালন কৰে। কুমাৰী পূজা উপলক্ষে প্ৰত্যেক বছৰৰ দৰে এইবাৰো যথেষ্ট সংখ্যক ভক্তপ্ৰাণ ৰাইজৰ সমাগম হয়। ইফালে, গোৱালপাৰা জিলাৰ টুক্ৰেশ্বৰী দেৱালয়তো জাকজমকতা পৰিহাৰ কৰি মৃন্ময় মূৰ্তি অবিহনে শাৰদীয় দুৰ্গা পূজা অনুষ্ঠিত হৈছে। জিলাখনৰ কৃষ্ণাই, ৰংজুলি, দুধনৈ, ধূপধৰা, মাটিয়া, আগিয়া আদি অঞ্চলতো পুৱা অষ্টমী পূজা সমাপন কৰাৰ পাছত নৱমী পূজা পালন কৰা হয়।

**দৰং** জিলাৰ মুঠ ৫ খন আৰক্ষী থানা এলেকাত আয়োজন কৰা প্ৰায় ২০০ খন ৰাজহুৱা পূজাস্থলিত আধ্যাত্মিকতাৰ সৈতে সৃষ্টিশীল কলা আৰু আধুনিকতাৰ সমাহাৰ ঘটাই ভক্তিপ্ৰাণ ৰাইজ আৰু দৰ্শনাৰ্থীক আকৰ্ষণ কৰাৰ প্ৰয়াস কৰা হৈছে। এই পূজা মণ্ডপসমূহৰ উপৰি জিলাখনৰ ঐতিহাসিক পদ্মা থানৰ লগতে মন্দিৰ, দেৱালয়সমূহ দুৰ্গতিনাশিনী দেৱী দুৰ্গাৰ স্তুতি তথা মংগল ধবনিৰে মুখৰ হৈ পৰিছে। জিলা সদৰ মঙলদৈত থকা কোচ ৰজাৰ তিনিখন হাউলীত ৪০৮ বছৰীয়া ঐতিহ্য আৰু ধৰ্মীয় পৰম্পৰা অক্ষুণ্ণ ৰাখি দুৰ্গা পূজা পালন কৰা হয়। ইয়াৰে গাখীৰখোৱা হাউলীত আজি পৰম্পৰাগত ৰীতি-নীতিৰে অষ্টমী আৰু নৱমী পূজা পালন কৰা হয়। এই সন্দৰ্ভত দৰং জিলাৰ সংবাদদাতা ময়ুখ গোস্বীয়ে এইদৰে কয়-

**-ভইচ কাষ্ট-**

**গুৱাহাটী** মহানগৰীৰ পূজা মণ্ডপতো অষ্টমী আৰু নৱমী পূজা উপলক্ষে পুৱাৰে পৰা ভক্তিপ্ৰাণ ৰাইজৰ ভিৰ পৰিলক্ষিত হৈছে। অষ্টমী আৰু নৱমীৰ দিনটোত শক্তিপীঠ কামাখ্যা ধাম আৰু উগ্ৰতাৰা দেৱালয়ত অগণন ভক্তিপ্ৰাণ লোকে ভিৰ কৰে। ইপিনে,শাৰদীয় দুৰ্গা পূজাৰ আজিৰ দিনটোত মন্ত্ৰী পিয়ুষ হাজৰিকাই মৰিগাওঁ জিলাৰ জাগীৰোডৰ কেইবাখনো পূজা মণ্ডপত উপস্থিত হৈ দেৱী দুৰ্গাৰ আশীষ লয়। মন্ত্ৰী শ্ৰী হাজৰিকাই সমগ্ৰ ৰাজ্যবাসীক শাৰদীয় দুৰ্গা পূজাৰ শুভেচ্ছা জ্ঞাপন কৰে। অষ্টমী আৰু নৱমী পূজা দিনটোত জাগীৰোডৰ প্ৰতিখন পূজা মণ্ডপতে উখল-মাখল পৰিবেশৰ সৃষ্টি হয়।

**কৰিমগঞ্জ** জিলাতো অষ্টমী আৰু নৱমী পূজা উপলক্ষে প্ৰতিখন পূজা মণ্ডপত ভক্তিপ্ৰাণ ৰাইজৰ ভিৰ পৰিলক্ষিত হৈছে। জিলাখনৰ ভাঙাবজাৰৰ ভাঙা দুৰ্গাবাৰী ৰাজহুৱা দুৰ্গা পূজাস্থলীত আজি ভক্তৰ মাজত প্ৰসাদ বিতৰণ কৰা হয়।

**গোলাঘাট** জিলাৰ বোকাখাতৰ ঐতিহাসিক শক্তিপীঠ কাকগোঁসানী দুৰ্গা থানত আজি পৰম্পৰাগত ৰীতি নীতিৰে অষ্টমী আৰু নৱমী পূজা সম্পন্ন কৰা হয়। আহোম স্বৰ্গদেউ গদাধৰ সিংহৰ ৰাজত্বকালত স্থাপন কৰা এই শক্তিপীঠখনত এইবাৰো দুৰ্গা পূজা উপলক্ষে বিভিন্ন প্ৰান্তৰ ভক্তই ভিৰ কৰিছে।

**চৰাইদেউ** জিলাৰ বিভিন্ন প্ৰান্তত উলহ মালহেৰে শাৰদীয় দুৰ্গা পূজা উদ্‌যাপন কৰা হৈছে। জিলাখনৰ মথুৰাপুৰ, নাফুক চাহ বাগিচাৰ লগতে প্ৰায় সংখ্যক চাহ বাগিচাতে দুৰ্গা পূজা উপলক্ষে বিভিন্ন কাৰ্যসূচী আয়োজন কৰা হৈছে। আনহাতে, শিৱসাগৰ জিলাৰ দেৱী দ'লত অষ্টমী আৰু নৱমী উপলক্ষে আজি যথেষ্ট ভক্তিপ্ৰাণ ৰাইজৰ সমাগম হয়।

০০০০০০০

মৰিগাঁও জিলা কাৰাগাৰৰ পৰা যোৱা নিশা পাঁচটা অপৰাধীয়ে পলায়ন কৰা ঘটনা সন্দৰ্ভত মৰিগাঁও জিলা কাৰাগাৰৰ অধীক্ষকক তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ নিলম্বিত কৰা হৈছে। অপৰাধী কেইটাই নিশা বিচনা চাদৰ, কম্বল আদি জোৰা লগাই কাৰাগাৰৰ দেৱাল বগাই পলায়ন কৰে। ঘটনা সন্দৰ্ভত জিলা আয়ুক্তই ইতিমধ্যে দণ্ডাধীশ পৰ্যায়ৰ তদন্তৰ নিৰ্দেশ দিছে। অপৰাধী কেইটাক চাইফুদ্দিন, জিয়াউল, নুৰ ইছলাম, মাফিদুল আৰু আব্দুল ৰচিদ বুলি আৰক্ষী সূত্ৰৰ উদ্ধৃতিৰে আমাক সংবাদাদাতাই জানিবলৈ দিছে।

০০০০০০০

আণবিক বোমাৰ আক্ৰমণৰ সময়ত প্ৰাণ ৰক্ষা পৰা লোকক লৈ গঠিত জাপানৰ **নিহন হিদাংকিঅ'** নামৰ গোটটোলৈ ২০২৪ বৰ্ষৰ শান্তিৰ ন'বেল বঁটা আগবঢ়োৱা হৈছে। **হিবাকুশ্বা** নামেৰেও পৰিচিত এই গোটটো পাৰমাণৱিক অস্ত্ৰমুক্ত বিশ্বৰ লক্ষ্যত উপনীত হোৱাৰ হকে অক্লান্ত প্ৰচেষ্টা চলোৱাৰ লগতে ভৱিষ্যতে কেতিয়াও পাৰমাণৱিক অস্ত্ৰৰ প্ৰয়োগ হ'বলৈ নিদিয়াৰ স্পষ্ট সংকল্পৰ বাবে জনাজাত। অছলোৰ ন'বেল প্ৰতিষ্ঠানে এই পুৰস্কাৰ ঘোষণা কৰিছে। যোৱা বছৰ ইৰানৰ মানৱ অধিকাৰ কৰ্মী নৰ্গেছ মুহম্মদীক শান্তিৰ ন'বেল বঁটাৰে সন্মানিত কৰা হৈছে।

০০০০০০০

**সমাপ্ত**